**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 10-02-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***
**:::::::::::::::::::::::::::::::::::::::::::**

১। ৰাজ্যসভা আৰু লোকসভাত আজি ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা পুনৰ আৰম্ভ হয়।
২। উচ্চতম ন্যায়ালয়ে দেশৰ বিভিন্ন অংশৰ পৰা শিশু সন্ধানহীন হোৱা ঘটনাৰ আঁৰত কোনো ৰাষ্ট্ৰব্যাপী নেটৱৰ্ক বা ৰাজ্যভিত্তিক গোট আছে নেকি সেয়া নিশ্চিত কৰিবলৈ কেন্দ্ৰক নিৰ্দেশ দিছে।
৩। নিৰ্বাচন আয়োগে অসম, কেৰালা, তামিলনাডু, পশ্চিম বংগ আৰু পুডুচেৰী আসন্ন বিধানসভা নিৰ্বাচনৰ সৈতে জড়িত বিষয়াসকলৰ বদলিৰ বাবে নিৰ্দেশনা জাৰি কৰিছে।
৪। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে চাইবাৰ সুৰক্ষাৰ বিষয়টো দেশৰ সুৰক্ষাৰ সৈতে জড়িত বুলি মন্তব্য কৰিছে।
***আৰু***
৫। আকৃতি দাহিয়াই এছিয়ান ৰাইফল আৰু পিষ্টল শ্বুটিং প্ৰতিযোগিতাৰ মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত ৰূপৰ পদক অৰ্জন কৰিছে।

০০০০০

ৰাজ্যসভাত ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা পুনৰ আৰম্ভ হৈছে। আজি আলোচনাত অংশগ্ৰহণ কৰি শিৱসেনাৰ সাংসদ মিলিন্দ দেওৰাই কয় যে ৰাজনৈতিক আৰু অৰ্থনৈতিক উত্থান-পতনৰ এই সময়ত ভাৰত অৰ্থনৈতিক বিকাশ আৰু স্থিৰতা নিদৰ্শনৰূপে পৰিগণিত হৈছে। ডি এম কেৰ কানিমʼইয়ে এইবাৰৰ বাজেটখনক দুখীয়াৰ কল্যাণৰ পৰিপন্থী বুলি অভিহিত কৰে। তেওঁ লগতে বাজেটখন অৰ্থনৈতিক বাস্তৱিকতাৰ পৰা অনেক দূৰৈত বুলি অভিযোগ কৰে। বিজেপিৰ সুৰেন্দ্ৰ সিং নাগৰে আলোচনাত ভাগ লৈ কয় যে বাজেটত অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰাৰ লগতে আশা-আকাংক্ষা পূৰণ আৰু সামাজিক খণ্ডৰ সকলো আঁচনি জনসাধাৰণৰ ওচৰলৈ লৈ যোৱাত অগ্ৰাধিকাৰ দিয়া হৈছে। কংগ্ৰেছৰ নীৰজ দাংগিয়ে আলোচনাত ভাগ লৈ বাজেটখন শ্ৰমিক, কৃষক, যুৱ প্ৰজন্ম আৰু মধ্যবিত্ত শ্ৰেণীৰ আশা-আকাংক্ষা পূৰণত ব্যৰ্থ হোৱা বুলি অভিযোগ কৰে। তৃণমূল কংগ্ৰেছৰ সুখেন্দু শেখৰ ৰয়ে কয় যে বাজেটত বীমা ক্ষেত্ৰত ১০০ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ অনুমতি দিয়া হৈছে আৰু ইয়াৰ ফলত ৰাষ্ট্ৰীয় পৰ্যায়ৰ বীমা কোম্পানীসমূহৰ ব্যৱসায় প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে। বাজেট সন্দৰ্ভত উচ্চ সদনত কাইলৈও আলোচনা অনুষ্ঠিত হʼব।

লোকসভাতো কেন্দ্ৰীয় বাজেটক লৈ আলোচনা আৰম্ভ হৈছে। কংগ্ৰেছ সাংসদ শশী থাৰুৰে আলোচনাৰ পাতনি মেলি কয় যে বাজেটত চৰকাৰী খৰচ কৰ্তন কৰা হৈছে আৰু সংগৃহীত কৰৰ পৰিমাণ অপৰিৱৰ্তিত ৰখা হৈছে। এইবাৰৰ বাজেটৰ ফলত ব্যৱসায় গোষ্ঠীৰ পৰিৱৰ্তে ব্যক্তিগত কৰদাতাসকলৰ ওপৰত অধিক বোজা পৰিব বুলি তেওঁ মন্তব্য কৰে।

বিজেপিৰ অপৰাজিতা সাৰংগীয়ে কয় যে বাজেটত চৰকাৰৰ প্ৰতিশ্ৰুতিবদ্ধতা, দৃঢ়তা আৰু নিৰন্তৰতাৰ প্ৰতিফলন দেখিবলৈ পোৱা গৈছে। কেইবাখনো দেশৰ সৈতে মুক্ত বাণিজ্য চুক্তিত স্বাক্ষৰ কৰাৰ বাবে চৰকাৰৰ প্ৰশংসা কৰি সাংসদগৰাকীয়ে কয় যে দেশে পৰিৱৰ্তিত গোলকীয় প্ৰেক্ষাপটত বুদ্ধিমত্তাৰে আগবাঢ়িবলৈ সমৰ্থ হৈছে। সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱে এইবাৰৰ বাজেটখনক দিশাহীন বাজেট বুলি অভিহিত কৰে। তেওঁ কয় যে বাজেটখনত সামাজিক অথবা অৰ্থনৈতিক অসমতা দূৰ কৰাৰ কোনো ব্যৱস্থা অন্তৰ্ভুক্ত কৰা হোৱা নাই। তেওঁ লগতে কৰ্মসংস্থাপনহীনতাৰ বিষয়টো উত্থাপন কৰে। তেওঁ কয় যে দুখীয়া অথবা ধনী সকলোৰে সমতাৰ অধিকাৰ লাভ কৰিলেহে ভাৰতবৰ্ষক বিকশিত ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলাৰ সপোন বাস্তৱায়িত কৰিব পৰা যাব। আলোচনাত ভাগ লৈ তৃণমূল কংগ্ৰেছৰ অভিষেক বেনাৰ্জীয়ে কয় যে পশ্চিম

বংগই এতিয়াও ১ লাখ ৯০ হাজাৰ কোটি টকাৰ প্ৰাপ্য পাবলৈ বাকী আছে। তেওঁ কয় যে সংবিধানত ৰাজ্যসমূহৰ মাজত সমতাৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছে যদিও বৰ্তমানৰ কেন্দ্ৰীয় চৰকাৰে বছা বছা ৰাজ্যক অগ্ৰাধিকাৰ দিয়া নীতি গ্ৰহণ কৰি আহিছে। বিজেপি নেতৃত্বাধীন এন ডি এ চৰকাৰে দলটোৰে নিজেই অথবা মিত্ৰদলসমূহ ক্ষমতাত থকা ৰাজ্যসমূহকহে পুঁজি যোগান ধৰি আহিছে আৰু বিৰোধী পক্ষশাসিত ৰাজ্যসমূহৰ সৈতে বৈষম্য কৰি আহিছে বুলি তেওঁ অভিযোগ তোলে।

০০০০০

উচ্চতম ন্যায়ালয়ে দেশৰ বিভিন্ন অংশৰ পৰা শিশু সন্ধানহীন হোৱা ঘটনাৰ আঁৰত কোনো ৰাষ্ট্ৰব্যাপী নেটৱৰ্ক বা ৰাজ্যভিত্তিক গোট আছে নেকি সেয়া নিশ্চিত কৰিবলৈ কেন্দ্ৰক নিৰ্দেশ দিছে। ন্যায়াধীশ বি ভি নাগৰটনা আৰু উজ্জ্বল ভূঞাক লৈ গঠিত এখন বিচাৰপীঠে আজি কয় যে এনে ঘটনাৰ আঁৰত কিবা সামঞ্জস্য আছে নেকি নে এয়া আকস্মিক ঘটনা সেয়া নিশ্চিত কৰাৰ আৱশ্যকতা আছে। শীৰ্ষ ন্যায়ালয়ে লগতে কেন্দ্ৰীয় চৰকাৰক সকলো ৰাজ্যৰ পৰা এনে ঘটনাৰ তথ্য একত্ৰিত কৰিবলৈ নিৰ্দেশ দিয়ে। এনে ঘটনাৰ জগৰীয়াসকলক চিনাক্ত কৰাৰ উদ্দেশ্যে উদ্ধাৰ কৰা শিশুসকলক সুধিব পৰা যায় বুলি ন্যায়ালয়ে পৰামৰ্শ আগবঢ়ায়।

শুনানিৰ সময়ত চৰকাৰৰ হৈ অতিৰিক্ত চলিচিটৰ জেনেৰেল ঐশ্বৰ্য ভাটিয়ে কয় যে একাংশ ৰাজ্যই সন্ধানহীন শিশু আৰু অভিযোগকৰণৰ তথ্য প্ৰদান কৰিছে যদিও প্ৰায় ১২খন ৰাজ্যই এনে তথ্য দিয়া নাই। চৰকাৰে সম্পূৰ্ণ তথ্য লাভ কৰাৰ পাছতহে ইয়াক বিশ্লেষণ কৰিব পৰা যায় বুলি তেওঁ মন্তব্য কৰে। বিচৰপীঠখনে তথ্য প্ৰদান নকৰা ৰাজ্যসমূহক সমালোচনা কৰি কয় যে প্ৰয়োজন হ'লে তেওঁলোকে এই সংক্ৰান্তত কঠোৰ নিৰ্দেশ জাৰি কৰিব পাৰে। ন্যায়ালয়ে কেইবাখনো ৰাজ্যত সন্ধানহীন শিশুৰ বৰ্ধিত সংখ্যাৰ বিষয়ে আলোকপাত কৰি এটা বেচৰকাৰী সংস্থাই দাখিল কৰা জনস্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণৰ সময়ত এইদৰে মন্তব্য কৰে।

০০০০০

নিৰ্বাচন আয়োগে প্ৰস্তুতিমূলক প্ৰশাসনিক ব্যৱস্থাৰ অংশ হিচাপে অসম, কেৰালা, তামিলনাডু, পশ্চিম বংগ আৰু পুডুচেৰী আসন্ন বিধানসভা নিৰ্বাচনৰ সৈতে জড়িত বিষয়াসকলৰ বদলিৰ বাবে নিৰ্দেশনা জাৰি কৰিছে। এই ৰাজ্যকেইখনৰ বিধানসভা কাৰ্যকাল অহা মে'-জুনৰ ভিতৰত সমাপ্ত হ'ব। আয়োগে প্ৰকাশ কৰা মতে নিৰ্বাচনী কাম-কাজৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত বিষয়াসকলক তেওঁলোকৰ গৃহ নগৰ আৰু বিগত ৪ বছৰত ৩ বছৰ নিয়োজিত হৈ থকা স্থানত নিয়োগ কৰাৰ অনুমতি দিয়া নহ'ব। অসম, কেৰালা, তামিলনাডু আৰু পশ্চিম বংগত ৩১ মে' আৰু পুডুচেৰীৰ ক্ষেত্ৰত ৩০ জুন অথবা তাৰ পূৰ্বে কাৰ্যকাল সম্পূৰ্ণ কৰা বিষয়াসকলৰ ক্ষেত্ৰত এই নিয়ম প্ৰযোজ্য হ'ব। আয়োগে এই ৰাজ্যসমূহৰ মুখ্য সচিব আৰু মুখ্য নিৰ্বাচনী বিষয়ালৈ লিখা এখন পত্ৰত ২৭ ফেব্ৰুৱাৰীৰ পূৰ্বে সকলো বদলিৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ আৰু নিৰ্দেশনা পালনৰ প্ৰতিবেদন দাখিল কৰিবলৈ কৈছে।

০০০০০

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহে আজি নতুন দিল্লীত চাইবাৰ প্ৰৱঞ্চনা নিয়ন্ত্ৰণ আৰু ইয়াৰ সৈতে জড়িত ব্যৱস্থাৰ বিনাশ সম্পৰ্কীয় ৰাষ্ট্ৰীয় অভিৱৰ্তন মুকলি কৰে। এই উপলক্ষে শ্ৰীশ্বাহে কয় যে চাইবাৰ সুৰক্ষাৰ বিষয়টো দেশৰ সুৰক্ষাৰ সৈতে জড়িত। তেওঁ কয় যে ভাৰতীয় চাইবাৰ অপৰাধ সমন্বয় কেন্দ্ৰ চাইবাৰ অপৰাধ নিয়ন্ত্ৰণৰ বাবে গুৰুত্বপূৰ্ণ মঞ্চৰূপে পৰিগণিত হৈছে। তেওঁ লগতে দেশবাসীৰ মাজত চাইবাৰ সুৰক্ষাৰ বিষয়ে অধিক সজাগতা সৃষ্টিৰ আৱশ্যকতাত গুৰুত্ব আৰোপ কৰে।

০০০০০

চৰকাৰে প্ৰাক্তন সৈনিকৰ কেন্দ্ৰীয় অসামৰিক সেৱা আৰু পদত পুনৰসংস্থাপনৰ সংশোধিত নিয়মাৱলী সন্দৰ্ভত অধিসূচনা জাৰি কৰিছে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে সামৰিক নাৰ্চাৰী সেৱাৰ কৰ্মচাৰীসকলক পুনৰসংস্থাপন নিয়মাৱলীৰ অধীনত আনুষ্ঠানিকভাৱে স্বীকৃতি প্ৰদান কৰা হৈছে আৰু প্ৰাক্তন প্ৰতিৰক্ষা কৰ্মীৰ এটা বৃহৎ অংশৰ বাবে পুনৰসংস্থাপন আৰু কৰ্মসংস্থাপনৰ অন্য বিকল্পৰ উপলভ্যতা বৃদ্ধি কৰা হৈছে। এই পদক্ষেপৰ পৰা কমিছনপ্ৰাপ্ত এম এন এছ বিষয়াসকলো যে অন্য প্ৰাক্তন সৈনিকৰ সমানেই পুনৰসংস্থাপনৰ দাবীদাৰ সেয়া স্পষ্ট হৈ পৰিল।

০০০০০

এছিয়ান ৰাইফল আৰু পিষ্টল শ্বুটিং প্ৰতিযোগিতাৰ মহিলাৰ ৫০ মিটাৰ ৰাইফলৰ থ্ৰী পজিছন শিতানত আজি ভাৰতৰ আকৃতি দাহিয়াই ৰূপৰ পদক অৰ্জন কৰে। কাজাখস্তানৰ ছফিয়া ছুলজেক'ই এই শিতনত সোণৰ পদক হস্তগত কৰে। অঞ্জুম ম'দগলে ব্ৰঞ্জৰ পদক লাভ কৰে। ইপিনে, আকৃতি দাহিয়া, অঞ্জুম ম'দগল আৰু আশী ছ'ক্সিক লৈ গঠিত ভাৰতীয় দলটোৱে এই শাখাৰ দলীয় শিতানত ৰূপৰ পদক লাভ কৰে। দলীয় শিতানত কাজাখস্তানে সোণৰ পদক লাভ কৰে।

০০০০০

পুৰুষৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ এখন খেলত নিউজিলেণ্ডে সংযুক্ত আৰব আমিৰি ৰাষ্ট্ৰ ইউ এ ইক ১০ উইকেটত পৰাস্ত কৰে। নিউজিলেণ্ডে ১৭৪ ৰাণৰ বিজয়লক্ষ্যৰে খেল আৰম্ভ কৰি ১৫ অভাৰ আৰু দুটা বলত এটাও উইকেট নেহেৰুওৱাকৈ নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে ইউ এ ইয়ে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ছটা উইকেট হেৰুৱাই ১৭৩ ৰাণ কৰে।

দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত প্ৰতিযোগিতাৰ আন এখন খেলত নেডাৰলেণ্ডছে নামিবিয়াক ৭ উইকেটত পৰাস্ত কৰে। নেডাৰলেণ্ডছে ১৫৭ ৰাণৰ বিজয়লক্ষ্যৰে খেলিবলৈ লৈ ১৮ অভাৰত তিনিটা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ আগেয়ে নামিবিয়াই প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৫৬ ৰাণ কৰে।

প্ৰতিযোগিতাত সম্প্ৰতি কলম্বোত অনুষ্ঠিত এখন খেলত পাকিস্তান আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে। খেলখনত আমেৰিকাই টছত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে।

০০০০০

বাংলাদেশত যোৱা নিশা মৈমনসিং ত্ৰিশাল উপ-জিলাত দোকানৰ ভিতৰত এজন হিন্দু ব্যৱসায়ীক হত্যা কৰা ঘটনাটোৱে বাংলাদেশৰ ৰাষ্ট্ৰীয় নিৰ্বাচনৰ পূৰ্বে সংখ্যালঘুসকলৰ সুৰক্ষাক লৈ উদ্বেগ তীব্ৰতৰ কৰি তুলিছে। উল্লেখযোগ্য যে বগৰ বজাৰ ছেক্সনত অৱস্থিত ধানৰ ব্যৱসায়িক প্ৰতিষ্ঠানত ৬২ বছৰীয়া সুসেন চন্দ্ৰ সৰকাৰক অচিনাকী দুৰ্বৃত্তই চোকা অস্ত্ৰৰে আক্ৰমণ কৰি হত্যা কৰে। পৰিয়ালৰ লোকে জানিবলৈ দিয়া মতে সংকটজনক অৱস্থাত উদ্ধাৰ কৰাৰ পাছত চিকিৎসালয়লৈ নিয়া হয় যদিও চিকিৎসকে তেওঁক মৃত ঘোষণা কৰে। সমাগত বাংলাদেশ সংসদীয় নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত এনে ঘটনা সংঘটিত হোৱাৰ বিষয়টোৱে বাংলাদেশৰ দুৰ্বল সম্প্ৰদায় বিশেষকৈ সংখ্যালঘুসকলৰ সুৰক্ষাৰ বিষটোত ভাবুকি আহি পৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ